**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date : 31-12-2025** **Time : 1205 Hrs**

***Assamese Midday Bulletin***

**----------------------------**

## ***Headlines***

১। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বকোত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

২। অসম গ্ৰন্থ মেলাৰ আজি অষ্টম দিনা গ্ৰন্থযাত্ৰাৰ সুহৃদ সম্বোধন শীৰ্ষক বিশেষ অনুষ্ঠান।

৩। ইংৰাজী নৱবৰ্ষৰ প্ৰাক্‌ক্ষণত ৰাজ্যৰ বিভিন্ন প্ৰান্তত নতুনক আদৰাৰ বাবে বিভিন্ন অনুষ্ঠানৰ আয়োজন।

আৰু

৪। মণিপুৰৰ চূড়াচান্দপুৰৰ পথ দুৰ্ঘটনাত তিনিজন লোকৰ প্ৰাণনাশ।

০০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ বকোত মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত হিতাধিকাৰীসকলক চেক বিতৰণ কৰে। বকোৰ গান্ধী ময়দান সমন্বয় ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত বকো-ছয়গাঁও বিধানসভা সমষ্টিৰ মহিলা আত্মসহায়ক গোটৰ ৩৩ হাজাৰ ৮৬১ গৰাকী সদস্যক ১০ হাজাৰ টকাকৈ চেক প্ৰদান কৰা হয়।

০০০০০০০

অহা ফেব্ৰুৱাৰীৰ শেষভাগত নাইবা মাৰ্চৰ প্ৰথমভাগত বিধানসভা নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ সম্ভাৱনা আছে। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি এখন সংবাদমেলত এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি বুথ পৰ্যায়ৰ বিষয়াসকলে সংশোধিত খচৰা ভোটাৰ তালিকাৰ সবিশেষ সংশ্লিষ্ট গাঁওসভাসমূহক প্ৰদান কৰিব। ৩, ৪, ১০ বা ১১ জানুৱাৰীত গাঁওসভাৰ জৰিয়তে খচৰা ভোটাৰ তালিকা সন্দৰ্ভত প্ৰতিখন গাঁৱৰ বাসিন্দাক অৱগত কৰোৱা হ'ব। গাঁওসভাৰ দিনটো জিলা আয়ুক্তই নিৰ্ধাৰণ কৰিব।

বাইট

শ্ৰী গোৱেলে কয়, যে ৰাজ্যত সংশোধিত ভোটাৰ তালিকাৰ খচৰা অনুসৰি ভোটাৰৰ সংখ্যা পূৰ্বতকৈ ১ দশমিক ৩-৫ শতাংশ বৃদ্ধি হৈছে। তেওঁ কয়, যে ৰাজ্যত ৬০ হাজাৰৰো অধিক বি এল অ'ৰ দ্বাৰা খচৰা ভোটাৰ তালিকা প্ৰস্তুত কৰা হৈছে। নিৰ্বাচনী বিষয়াগৰাকীয়ে কয়, যে এইবাৰ ৰাজ্যত ভোটদাতাৰ সংখ্যা ২ কোটি ৫২ লাখ এহেজাৰ ৬২৪। খচৰা ভোটাৰ তালিকা মতে মুঠ পুৰুষ ভোটদাতাৰ সংখ্যা ১ কোটি ২৫ লাখ ৭২ হাজাৰ ৫৮৩ আৰু মহিলা ভোটদাতাৰ সংখ্যা ১ কোটি ২৫ লাখ ২৮ হাজাৰ ৬৬২। তৃতীয় লিংগৰ ভোটদাতাৰ ৩৭৯ গৰাকী। দিব্যাংগ ভোটদাতাৰ সংখ্যা ২ লাখ দুহেজাৰ ৪৩৩। এইবাৰ এহেজাৰ ৮৩০টা ভোটকেন্দ্ৰ বৃদ্ধিৰে মুঠ ভোটকেন্দ্ৰৰ সংখ্যা ৩১ হাজাৰ ৪৮৬ লৈ বৃদ্ধি হৈছে। খচৰা ভোটাৰ তালিকাত ৭ লাখ ৮৬ হাজাৰ ৮৪১ গৰাকী নতুন ভোটদাতাৰ নাম অন্তৰ্ভুক্ত হৈছে। ইয়াৰ বিপৰীতে ৪ লাখ ৪৭ হাজাৰ ১৯৬ গৰাকী ভোটাৰৰ নাম তালিকাৰ

পৰা কৰ্তন কৰা হৈছে। ভোটাৰ তালিকাত একাধিকবাৰ নাম থকা ৫৩ হাজাৰ ৬১৯ গৰাকী ভোটদাতাৰ নাম কৰ্তন কৰা হৈছে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা মতে কৰ্মসূত্ৰে বাহিৰত থকা ভোটদাতাসকলে ৬ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিব পাৰিব। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তিৰ বাবে ২২ জানুৱাৰীলৈকে আবেদন কৰিব পাৰিব। একেদৰে ৮ নম্বৰ প্ৰ-পত্ৰৰ জৰিয়তে ভোটাৰ তালিকাত নাম ভুল থাকিলে সংশোধন কৰিব পাৰিব। ১০ ফেব্ৰুৱাৰীত পূৰ্ণাংগ ভোটাৰ তালিকা প্ৰকাশ পাব বুলি সংবাদমেলত মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

oooooooo

ইংৰাজী ২০২৫ বৰ্ষৰ আজি অন্তিম দিন। কাইলৈ নতুন সম্ভাৱনা লৈ এটা নতুন বৰ্ষ আৰম্ভ হ'ব। ৰাজনীতি, সমাজনীতি, সাহিত্য-সংস্কৃতি, চলচ্চিত্ৰ, ক্ৰীড়া আৰু বিজ্ঞান-প্ৰযুক্তি জগতৰ বহু উত্থান-পতন আৰু ঘটনা-পৰিঘটনাৰ সাক্ষী হৈ ৰোৱা ২০২৫ বছৰটোৱে অসমবাসীলৈ ভালেমান সুখ আৰু দুখৰ সংবাদ লৈ আহিছিল। এনে প্ৰত্যাহ্বান নেওচিও জনসাধাৰণে নতুন সময়ক আদৰাৰ বাবে প্ৰস্তুতি চলাইছে।

ৰাজ্যৰ বিভিন্ন প্ৰান্তত নৱবৰ্ষক আদৰাৰ বাবে আজি বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছে। বছৰৰ অন্তিম দিনা বনভোজস্থলীসমূহতো যথেষ্ট ভিৰ পৰিলক্ষিত হৈছে। গুৱাহাটী মহানগৰীৰ সমীপৰ চন্দ্ৰপুৰ, ৰাণী, টেঘেৰিয়া, পানীখাইতি, হাতীশিলাকে ধৰি বিভিন্ন অঞ্চলত আজি পুৱাতেই অগণন লোক বনভোজৰ আনন্দ উপভোগৰ বাবে সমবেত হৈছে। বৰপেটা জিলাৰ বাঘবৰৰ ব্ৰহ্মপুত্ৰৰ বালিচৰ, সৰভোগৰ বেঁকী নদীৰ বালিচৰকে ধৰি বিভিন্ন বনভোজস্থলীত আজি যথেষ্ট লোকৰ সমাগম হয়। নৱবৰ্ষৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ পৰিস্থিতিৰ সৃষ্টি নহয়, তাৰবাবে জিলা প্ৰশাসনসমূহে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। নৱবৰ্ষৰ লগতে বৰ্তমানৰ বনভোজৰ বতৰত সঘনে হোৱা পথ দুৰ্ঘটনা ৰোধ কৰিবলৈ আৰক্ষী আৰু পৰিবহণ বিভাগে ৰাজ্যৰ বিভিন্ন স্থানত নিৰীক্ষণ ব্যৱস্থা কটকটীয়া কৰি তুলিছে।

দক্ষিণ কামৰূপ জিলাৰ ৰাভা হাছং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ঐতিহাসিক চানডুবি বিলৰ পাৰত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে যোড়শ চানডুবি মহোৎসৱ অনুষ্ঠিত হ'ব। এই মহোৎসৱত বিভিন্ন জাতি-জনগোষ্ঠীৰ কলা-সংস্কৃতি, হস্তশিল্প আৰু খাদ্য সম্ভাৰ প্ৰদৰ্শন কৰা হয়। কাইলৈ পুৱা ৮ বজাত এই মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰা হ'ব। ৰাভা-হাছং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য টংকেশ্বৰ ৰাভাই কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। ২ জানুৱাৰীত সাংস্কৃতিক কাৰ্যসূচী আৰু ৩ জানুৱাৰীত জনজাতি সমাজৰ পৰম্পৰা আৰু ৰীতি-নীতি বিষয়ত আলোচনাসত্ৰ অনুষ্ঠিত হ'ব।

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আজিৰে পৰা ৰামধেনু উৎসৱৰ আয়োজন কৰা হৈছে।

ooooooo

অসম প্ৰকাশন পৰিষদৰ উদ্যোগত আৰু সদৌ অসম পুথি প্ৰকাশক আৰু বিক্ৰেতা সংস্থাৰ সহযোগত গুৱাহাটীৰ খানাপাৰা পশু চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত গ্ৰন্থ মেলাৰ আজি অষ্টম দিনা দিনৰ ১ বজাত গ্ৰন্থযাত্ৰাৰ সুহৃদ সম্বোধন শীৰ্ষক বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। অনুষ্ঠানটো লেখক, গৱেষক তথা নৰ্থ লখিমপুৰ বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডং অৰবিন্দ ৰাজখোৱাই পৰিচালনা কৰিব। বিয়লি ৩ বজাত কবি অনুভৱ তুলসী সোঁৱৰণি কবি সন্মিলন অনুষ্ঠিত হ'ব। কবি, লেখক, বিজ্ঞানী, বিপুলজ্যোতি শইকীয়াই এই সন্মিলন সঞ্চালন কৰিব। সন্ধিয়া ৫ বজাত সাংস্কৃতিক অনুষ্ঠান অনুষ্ঠিত হ'ব।

গ্ৰন্থমেলাত কালি **অসমীয়া সাহিত্যত ৰাজনৈতিক ছদ্মৰূপী ব্যাখ্যান** শীৰ্ষক এখন আলোচনাসত্ৰ অনুষ্ঠিত হয়। বিশিষ্ট ইতিহাসবিদ তথা মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড° গজেন্দ্ৰ অধিকাৰীয়ে আলোচনাসত্ৰখন উদ্বোধন কৰে। এই অনুষ্ঠানত লেখক তথা জ্যেষ্ঠ সাংবাদিক ৰূপম বৰুৱা, প্ৰকৃতিবিদ, লেখক সৌম্যদীপ দত্ত, জ্যেষ্ঠ সাংবাদিক পুলিন কলিতা, দেৱীকা দত্ত, অভিজ্ঞান অনুৰাগ আৰু ভাস্কৰজ্যোতি নাথে অংশগ্ৰহণ কৰে। অনুষ্ঠানটি জ্যেষ্ঠ সাংবাদিক নৱ ঠাকুৰীয়াই পৰিচালনা কৰে।

০০০০০০০

আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশমৰ্মে বাতৰি বিভাগে আৰম্ভ কৰা বিশেষ প্ৰাসঙ্গিক অনুষ্ঠানত আজি বিয়লি ৩ বাজি ৫ মিনিটত নলবাৰী জিলাৰ জলসম্পদ বিভাগত ৰূপায়িত আঁচনি সন্দৰ্ভত জিলাখনৰ জলসম্পদ বিভাগৰ কাৰ্যবাহী অভিযন্তা নিকুঞ্জ শৰ্মাৰ সৈতে হোৱা এটি সাক্ষাৎকাৰ প্ৰচাৰ কৰা হ'ব। সাক্ষাৎ গ্ৰহণ কৰিব আমাৰ নলবাৰী জিলাৰ সংবাদদাতা ৰমেন কলিতাই। অনুষ্ঠানটি নিশা ৯ বাজি ১৫ মিনিটত পুনৰ প্ৰচাৰ কৰা হ'ব।

০০০০০০০

মণিপুৰৰ চুড়াচান্দপুৰৰ তেইজাঙৰ টিউৰেল নৈত আজি এখন এম্বুলেঞ্চ পথৰ পৰা বাগৰি পৰাত চালকসহ তিনিজন লোকে প্ৰাণ হেৰুৱায়। দুৰ্ঘটনাৰ পাছত স্থানীয় লোকে নৈৰ পৰা এম্বুলেঞ্চসহ দুটা মৃতদেহ উদ্ধাৰ কৰে। বৰ্তমানলৈকে এজন লোকৰ মৃতদেহ উদ্ধাৰ হোৱা হোৱা নাই।

০০০০০০০

শিৱসাগৰ বাণিজ্য মহাবিদ্যালয়ত কালি এন ই কনভাৰ্ছেছন অৰ্গেনাইজেচনৰ উদ্যোগত নেতৃত্ব যুৱ সংসদ অনুষ্ঠিত হয়। বিভিন্ন মহাবিদ্যালয়ৰ অৰ্ধশতাধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰা এই অনুষ্ঠানত অসম চুক্তিৰ ৬ নম্বৰ দফাৰ ৰূপায়ণ আৰু জনজাতিকৰণ সন্দৰ্ভত বিস্তৃতভাৱে আলোচনা কৰা হয়। অংশগ্ৰহণকাৰী শিক্ষাৰ্থীসকলে দুয়োটা বিষয় সন্দৰ্ভত দৃঢ়তাৰে আৰু যুক্তিসংগতভাৱে নিজ নিজ মতামত দাঙি ধৰাৰ লগতে সমাধানমুখী দৃষ্টিভংগীও উপস্থাপন কৰে। ৰাজ্যৰ এই দুটা জ্বলন্ত সমস্যাক লৈ প্ৰচলিত ধাৰণাক প্ৰত্যাহ্বান জনাই তেওঁলোকে উপস্থাপন কৰা এনেধৰণৰ নিজস্ব বক্তব্যই সমাজলৈ আশাৰ বতৰা কঢ়িয়াই আনিছে বুলি আকাশবাণীৰ শিৱসাগৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০০

তামুলপুৰ জিলাৰ খৈৰানিত কালি নিশা বনৰীয়া হাতীৰ আক্ৰমণত দুজন লোক নিহত হয়। বনৰীয়া হাতীয়ে ত্ৰাসৰ সৃষ্টি কৰি থকা অঞ্চলটোত হাতীৰ জাক খেদি নি থকাৰ সময়তে এই শোকাৱহ ঘটনা সংঘটিত হয়। মৃত্যু হোৱা লোক দুজন কুমাৰীকাটা বনাঞ্চলিক কাৰ্যালয়ৰ বনকৰ্মী সঞ্জু ইছলাৰী আৰু নগাঁৱৰ তপন তিমচিনা বুলি চিনাক্ত কৰা হৈছে।

০০০০০০০

জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰা আৰু কুঁৱলীৰ সমস্যাত পথ দুৰ্ঘটনা ৰোধ কৰাৰ লক্ষ্যৰে শিৱসাগৰ জিলাত নিশাৰ ভাগত ই-ৰিক্সা আৰু ই-কাৰ্ট চলাচল নিষিদ্ধ কৰা হৈছে। জিলা পৰিবহণ বিষয়াই জাৰি কৰা নিৰ্দেশ অনুসৰি কালিৰেপৰা প্ৰতিদিনে সন্ধিয়া ৭ বজাৰ পৰা পুৱা ৭ বজালৈকে এই নিষেধাজ্ঞা বলৱৎ থাকিব।

উল্লেখযোগ্য যে জিলা পথ সুৰক্ষা সমিতিৰ সভাপতি তথা জিলা আয়ুক্তৰ অনুমোদনমৰ্মে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

oooooooo

**সমাপ্ত**